**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :13**-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**:::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহি ৪৭ হাজাৰ ৮০০ কোটিতকৈয়ো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশতে আজি কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব।

৩। লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা আৰু ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

৪। পশ্চিম এছিয়াৰ বিভিন্ন এলেকাত বিগত কেইটামান ঘণ্টাত নতুনকৈ আক্ৰমণ হোৱাৰ লগতে আকাশমাৰ্গীয় প্ৰতিৰোধ ব্যৱস্থা ধ্বংসৰ ঘটনা অধিক তীব্ৰ হৈ উঠিছে।

***আৰু***

৫। ২০২৬ৰ এফ আই এইচ হকী মহিলা বিশ্বকাপত ভাৰতে  নিজৰ স্থান নিশ্চিত কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৪৭ হাজাৰ ৮০০ কোটিতকৈয়ো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে দুপৰিয়াৰ ভাগত কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে বিটিচি এলেকাত অসম মালা প্ৰকল্পৰ তৃতীয় পৰ্যায়ৰ অধীনত নিৰ্মাণ কৰিবলগীয়া চাৰিখন উৰণ সেতু আৰু দুখন দলংসহ এটা পথৰ আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰত তেওঁ তিনিখন নতুন ৰে'লগাড়ী কামাখ্যা চৰলাপল্লি অমৃত ভাৰত এক্সপ্ৰেছ, গুৱাহাটী নিউ জলপাইগুৰি এক্সপ্ৰেছ আৰু নাৰেংগী-আগৰতলা এক্সপ্ৰেছৰো পতাকা জোকাৰি শুভাৰম্ভ কৰিব।

প্ৰধানমন্ত্ৰী মোদী ইয়াৰ পাছত সন্ধিয়াৰ ভাগত গুৱাহাটীলৈ আহি কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। গুৱাহাটীত তেওঁ ১৯ হাজাৰ ৬৮০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন, ভূমি পূজন আৰু আধাৰশিলা স্থাপন কৰিব।  তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ পশ্চিম কাৰ্বি আংলঙৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে গুৱাহাটীত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানতে তেওঁ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব। শ্ৰীমোদীয়ে কাইলৈ শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিৰ ধন মুকলি কৰিব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে শ্ৰীমোদীয়ে প্ৰায় ৯ কোটি ৩২ লাখ কৃষকৰ বেংক একাউণ্টত প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে ১৮ হাজাৰ ৬৪০ কোটি টকা মুকলি কৰিব। এই আঁচনিৰ অধীনত এই পৰ্যন্ত ৪ লাখ ৯ হাজাৰ কোটিতকৈ অধিক টকা ইতিমধ্যে কৃষকলৈ হস্তান্তৰ কৰা হৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে। শ্ৰী চৌহানে কয় যে এই কিস্তি মুকলি হোৱাৰ লগে লগে মুঠ ধনৰাশি ৪ লাখ ২৭ হাজাৰ কোটি টকা অতিক্ৰম কৰিব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ পশ্চিমবংগ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ১৮ হাজাৰ ৬৮০ কোটি টকা মূল্যৰ ভালেমান প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৰাজ্যখনত প্ৰায় ১৬ হাজাৰ ৯৯০ কোটি টকাৰ ৪২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ বাবে ব্যয় কৰা হ'ব। শ্ৰী মোদীয়ে লগতে জাহাজ আৰু বন্দৰৰ লগত জড়িত তেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে পুৰুলীয়া-আনন্দবিহাৰ টাৰ্মিনেল এক্সপ্ৰেছ ৰে'ল গাড়ীৰ প্ৰতাকা জোকাৰি যাত্ৰাৰ শুভাৰম্ভ কৰিব। অমৃত ষ্টেচন আঁচনিৰ অধীনত তেওঁ ৰাজ্যখনত পুনৰ নিৰ্মাণ কৰা ছটা ৰেলৱে ষ্টেচেন মুকলি কৰিব। শ্ৰী মোদীয়ে লগতে বেলদা আৰু ডনটনৰ মাজৰ ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ তৃতীয়টো ৰে'ল লাইন ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিব। ইয়াৰ উপৰি কালাইকুণ্ডা আৰু কানিমহুলিৰ মাজত স্বয়ংক্ৰিয় সংকেট ব্যৱস্থা মুকলি কৰিব।

oooo

লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা আৰু ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সদনত আলোচনাৰ উত্তৰ দিব। ৰাজ্যসভাত আজিও গ্ৰামীন বিকাশ মন্ত্ৰালয়ৰ কামকাজ সম্পৰ্কে আলোচনা কৰা হ'ব। লোকসভাত কালি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে পশ্চিম এছিয়াত অব্যাহত থকা সংঘৰ্ষৰ ফলত আন্তঃৰাষ্ট্ৰীয় শক্তি যোগান ব্যাহত হোৱা ফলত সৃষ্টি হোৱা সংকট দূৰ কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে মতামত আগবঢ়ায়। তেওঁ ভাৰতত পৰ্যপ্ত পৰিমাণে খাৰুৱা তেল মজুত আছে বুলি নিশ্চিত কৰে। তেওঁ কয়, যে ঘৰুৱা ৰন্ধন গেছৰ যোগান সম্পূৰ্ণ সুৰক্ষিত হৈ আছে আৰু এল পি জি চিলিণ্ডাৰ বুকিং কৰাৰ পৰা ডেলিভাৰী দিয়াৰ মাজৰ সময়সীমাও পূৰ্বৰ দৰে অপৰিৱৰ্তিত হৈ আছে। ৩৩ কোটি পৰিয়াললৈ ব্যাহত নোহোৱাকৈ ৰন্ধন গেছৰ যোগান ধৰাতো চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়বস্তু বুলিও তেওঁ উল্লেখ কৰে। লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে কয়, যে ৰন্ধন গেছৰ যোগানক লৈ জনসাধাৰণৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে আৰু ৰেষ্টুৰেণ্ট তথা হোটেল ব্যৱসায়ীসকলৰ ব্যৱসায়ত ইয়াৰ ফলত যথেষ্ট প্ৰভাব পৰিছে। তেওঁ কয়, যে প্ৰত্যেকখন দেশৰে মূল আধাৰ দেশখনৰ শক্তি সুৰক্ষাৰ ওপৰতে নিৰ্ভৰ কৰে।

oooo

পশ্চিম এছিয়াৰ বিভিন্ন এলেকাত যোৱা কিছু ঘণ্টাত নতুনকৈ আক্ৰমণ হোৱাৰ লগতে আকাশমাৰ্গীয় প্ৰতিৰোধ ব্যৱস্থা ধ্বংসৰ ঘটনা অধিক তীব্ৰ হৈ উঠিছে। ইজৰাইলৰ সেনাই দাবী কৰা অনুসৰি তেওঁলোকৰ বিমানে বছিজ অৰ্ধসামৰিক বাহিনীয়ে পৰিচালনা কৰা নিৰীক্ষণ চকীক লক্ষ্য কৰি তেহৰানত আক্ৰমণ চলাইছে। ইজৰাইলৰ নিৰাপত্তা বাহিনীয়ে এই আক্ৰমণত ৰাজধানী চহৰ তেহৰানক বচাবৰ বাবে দেশখনৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ পথসমূহত কৰা ব্যৱস্থা ধবংস কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। অৱশ্যে ইৰানৰ চৰকাৰী সূত্ৰই এতিয়ালৈকে এই আক্ৰমণৰ ফলত হোৱা লোকচান সম্পৰ্কে কোনো ধৰণৰ কথা অৱগত কৰোৱা নাই। নৌ পৰিবহনৰ মুখ্য আন্তঃৰাষ্ট্ৰীয় পথ হৰমুজ প্ৰণালীৰ চাৰিওফালে সম্প্ৰতি অধিক উদ্বেগজনক পৰিস্থিতি অব্যাহত আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেছকিয়ানৰ সৈতে বাৰ্তালাপ কৰি পশ্চিম এছিয়া অঞ্চলৰ গুৰুতৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে। সাধাৰণ নাগৰিকৰ জীৱন হেৰুৱাৰ লগতে অসামৰিক আন্তঃগাঁথনিৰ ক্ষতি হোৱা বাবে শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতীয় নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তাৰ লগতে সামগ্ৰী আৰু শক্তিৰ বাধাহীন পৰিবহণৰ প্ৰয়োজনীয়তা ভাৰতৰ শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয় হৈয়ে আছে। তেওঁ লগতে শান্তি আৰু স্থিতিশীলতাৰ প্ৰতি থকা ভাৰতৰ দায়বদ্ধতা সন্দৰ্ভত আলোচনাৰ বাবে আহ্বান জনায়।

০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে কয় যে ইজৰাইলৰ আক্ৰমণত ইৰাণৰ শীৰ্ষ পাৰমাণৱিক বিজ্ঞানীসকলৰ মৃত্যু হৈছে। যোৱা নিশা সংবাদমেলত ভাষণ দি নেতানিয়াহুৱে ইৰাণৰ নতুন সৰ্বোচ্চ নেতা আয়াতুল্লাহ মোজতাবা খামেনেইক ইৰাণৰ সশস্ত্ৰ বাহিনী ৰিভল্যুচনেৰী গাৰ্ডৰ পুতলা বুলি গৰিহণা দিয়ে। ইৰাণৰ জনসাধাৰণকো সম্বোধন কৰি কয় যে স্বাধীনতাৰ দিশত নতুন বাট মুকলি হৈ আহিছে আৰু ইজৰাইলে তেওঁলোকৰ সৈতে থিয় দিছে।

০০০০

ভাৰতৰ খুচুৰা মুদ্ৰাস্ফীতি চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত তিনি দশমিক দুই এক শতাংশলৈ বৃদ্ধি হয়। ২০২৪ ক ভিত্তি বৰ্ষ হিচাপে লৈ নতুন শৃংখলাত যোৱা জানুৱাৰী মাহত খুচুৰা মুদ্ৰাস্ফীতি দুই দশমিক ৭-৪ শতাংশ হয়। পৰিসংখ্যা আৰু আঁচনি ৰূপায় মন্ত্ৰালয়ে মুকলি কৰা তথ্য অনুসৰি গ্ৰাম্যঞ্চলৰ মুদ্ৰাস্ফীতি তিনি দশমিক ৩-৭ শতাংশ হোৱাৰ বিপৰীতে

নগৰাঞ্চলত তিনি দশমিক ০-২ শতাংশ হয়। ভাৰতৰ খাদ্য উপভোক্তা মূল্য সূচাংক জানুৱাৰীত ২ দশমিক ১-৩ শতাংশ হোৱাৰ বিপৰীতে ফেব্ৰুৱাৰীত ৩ দশমিক ৪-৭ শতাংশলৈ বৃদ্ধি হয়।

০০০০

বেচেলত কালি অনুষ্ঠিত ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডত ভাৰতীয় শ্বাটলাৰ কিৰণ জৰ্জ অৱতীৰ্ণ হয়। ইপিনে সাত্‌ৱিকচাইৰাজ ৰেংকিৰেডী-চিৰাগ শ্বেট্টীয়ে পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কিৰণ জৰ্জ, চীনৰ জেছন গুনাৱানৰ হাতত ২১-১৮, ১৬-২১, ২১-১৬ পইন্টত পৰাস্ত হয়। এছিয়ান গেমছৰ পুৰুষৰ ডাবলছ্‌ৰ চেম্পিয়ন সাত্‌ৱিক্‌ছাইৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীয়ে জাপানৰ যুটি হিৰোকি ওকামুৰা আৰু কিয়'হেই ইয়ামাছিতাক ২১-১৫, ১৫-২১, ২৮-২৬ পইন্টত পৰাস্ত কৰে। অৱশেষত পৰৱৰ্তী ৰাউণ্ডলৈ যোৱাৰ অষ্টমটো সুযোগতে সাত্‌ৱিক্‌চাইৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীয়ে জয়লাভ কৰে, য'ত তেওঁলোকে ডেনমাৰ্কৰ ক্ৰিষ্টিয়ান ফাউষ্ট কেজাৰ আৰু ৰাছমাছ কেজাৰৰ বিৰুদ্ধে খেলিব। মিক্সড ডাবলছত চীনৰ জে গাও আৰু এম ৰুৱে ভাৰতীয় যুটি ধ্ৰুৱ কপিলা আৰু তানিছা ক্ৰাষ্টোক ২১-১৫ আৰু ২১-১৭ পইন্টত পৰাস্ত কৰে। একক শাখাত ভাৰতীয় শ্বাটলাৰ থাৰুণ মান্নেপল্লীয়ে মালয়েছিয়াৰ বেডমিণ্টন খেলুৱৈক ২১-১৪ আৰু ২২-২০ পইন্টত পৰাস্ত কৰে।

০০০০

ভাৰতে ২০২৬ৰ এফ আই এইচ হকী মহিলা বিশ্বকাপত অংশগ্ৰহণৰ বাবে নিজৰ স্থান নিশ্চিত কৰিছে। হায়দৰাবাদত চলি থকা কোৱালিফায়িং প্ৰতিযোগিতাৰ চেমিফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে হকী বিশ্বকাপত ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে। হায়দৰাবাদত আজি অনুষ্ঠিত হ'বলগীয়া চেমিফাইনেলত ভাৰত ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এইবাৰ নৱমবাৰৰ বাবে ভাৰতে এফ আই এইচ মহিলা বিশ্বকাপত অংশগ্ৰহণৰ সুযোগ লাভ কৰে। নিয়ম অনুসৰি হায়দৰাবাদ আৰু ছিলিৰ ছান্তিয়াগোত চলি থকা এফ আই এইচ হকী মহিলা বিশ্বকাপৰ কোৱালিফায়িং খেলসমূহৰ পৰা শীৰ্ষ স্থানৰ সাতটা দলক সমাগত মহিলা হকী বিশ্বকাপত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত কৰা হয়। কোৱালিফায়িং পৰ্যায়ৰ দুয়োখন প্ৰতিযোগিতাৰে শীৰ্ষৰ তিনিটা দল আৰু চতুৰ্থ স্থানত থকা দলটোৱে অহা ১৫ৰ পৰা ৩০ আগষ্টলৈ বেলজিয়াম আৰু নেডাৰলেন্সত হ'বলগীয়া মূল খেলসমূহত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ